**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময়।

২। ৰাজ্যৰ কেইবাখনো জিলাত অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত মুঠ ৭ লাখ ৩৪ হাজাৰ ৮০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি ম'বাইল ইণ্টাৰনেট সেৱা কৰ্তন।

৩। মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা। গুৱাহাটীৰ খানাপাৰাত আয়োজিত বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি প্ৰথমটো কিস্তি মুকলি।

*আৰু*

৪। ভাৰত আৰু বাংলাদেশৰ মাজৰ দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশে প্ৰথম ইনিংছত তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব। এয়া হ'ব এই অনুষ্ঠানৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই  আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত আজি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত মুঠ ৭ লাখ ৩৪ হাজাৰ ৮০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে।

উল্লেখযোগ্য যে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২  বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হৈছে। আনহাতে দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত

হ'ব। তৃতীয় বৰ্গৰ মুঠ ৪ হেজাৰ ৫৫টা পদৰ  বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু  চালক পদৰ বাবে মুঠ ৮১৮ টা পদৰ পৰীক্ষাত ২ লাখ ৪ হেজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

পৰীক্ষা গৃহত প্ৰৱেশ কৰাৰ সময়ত হোৱা তালাচীত কোনো প্ৰাৰ্থী যদি অসুবিধাৰ সন্মুখীন হয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব বুলি প্ৰশাসনে জানিবলৈ দিছে। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR শ্বিটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে।

পৰীক্ষাৰ সময়ছোৱাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ উপৰি সমগ্ৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে-

**-ভইচ কাষ্ট-**

০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ৰাজ্যৰ উদ্যোগীসকললৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি হ'বলগীয়া বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকিব। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি কৰা প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব। আজিৰ অনুষ্ঠানত নিৰ্বাচিত উদ্যোগীলৈ ৭৫ হাজাৰ টকাৰ প্ৰথম কিস্তি আগবঢ়োৱা হ'ব। তিনিদিনীয়া প্ৰশিক্ষণ অন্তত তেওঁলোকক ২৫ হাজাৰ টকাকৈ দ্বিতীয় কিস্তি আৰু উদ্যোগ তথা ব্যৱসায়টোৰ অগ্ৰগতি অনুসৰি উদ্যোগীগৰাকীৰ অৰ্হতাৰ ভিত্তিত ১ লাখ টকাৰ ৪ লাখ টকা পৰ্যন্ত অন্তিমটো কিস্তি আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে এই আঁচনিৰ বাবে ৰাজ্যৰ মুঠ ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগী বাছনি কৰা হৈছে।

০০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ উপলক্ষে চৰকাৰে **মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ**ৰ ক্ষেত্ৰত বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই প্ৰসংগত কয় যে, আধুনিক আন্তঃগাঁথনি গঢ়ি তোলাৰ লগে লগে দেশত নিয়োগৰ সুযোগ বৃদ্ধিৰ জৰিয়তে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণ বৃদ্ধি হোৱা দেখা গৈছে। মধ্যবিত্ত শ্ৰেণীৰ সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে বহিঃৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৭৫ হাজাৰ নতুন চিকিৎসা বিজ্ঞানৰ আসন সংযোজন

কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী আৱাস যোজনা নগৰৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২ দশমিক ৩০ লাখ কোটি টকা ৰাজ সাহায্যৰে এক কোটি নগৰীয়া গৃহ নিৰ্মাণ কৰা হৈছে। একেদৰে **পি এম সূৰ্য ঘৰ** যোজনাৰ অধীনত ৩ লাখ ৫ হাজাৰ ঘৰত সৌৰ ব্যৱস্থা স্থাপন কৰাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সঞ্চয় বৃদ্ধি কৰাৰ প্ৰয়াস কৰা হৈছে। মুদ্ৰা ঋণ ১০ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰি ঔদ্যোগিকৰণৰ ক্ষেত্ৰতো উত্থান ঘটোৱা হৈছে। ইফালে ইউনিফাইড পেঞ্চন আঁচনিৰ অধীনত ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰাৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰতিৰক্ষা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ কল্যাণ নিশ্চিত কৰিবৰ বাবে এটা পদবী, এটা পেঞ্চন আঁচনিৰ সংশোধন কৰা হৈছে। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত ৰাজহুৱা পৰীক্ষা আইন প্ৰৱৰ্তনকে ধৰি মেট্ৰ' প্ৰকল্প, ইলেকট্ৰনিক বাছ আদি বিভিন্ন ব্যৱস্থাৰ জৰিয়তে মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক নিযুক্তিত স্থগিতাদেশ জাৰি কৰিছে। গোচৰ নিষ্পত্তি নোহোৱা পৰ্যন্ত উচ্চ মাধ্যমিক বিদ্যালয়সূহত শিক্ষা বিভাগে প্ৰধান শিক্ষক নিযুক্তি প্ৰক্ৰিয়া আগবঢ়াব নোৱাৰিব। উল্লেখযোগ্য যে ২০২৪ চনৰ আৰম্ভণিতে শিক্ষা বিভাগে উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ নিযুক্তিৰ বাবে বিজ্ঞাপন জাৰি কৰিছিল। ৰাজ্য চৰকাৰে মজলীয়া বিদ্যালয়সমূহ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৈতে একত্ৰিকৰণ কৰে যদিও মজলীয়া বিদ্যালয়ৰ শিক্ষকসকলৰ জ্যেষ্ঠতাক শিক্ষা বিভাগে গুৰুত্ব নিদিলে। নিয়ম মতে প্ৰধান শিক্ষকৰ পদৰ বাবে স্নাতক শিক্ষকৰ ১০ বছৰ অভিজ্ঞতাৰ প্ৰয়োজন। শিক্ষা বিভাগে মজলীয়া বিদ্যালয়ৰ শিক্ষকসকলৰ বিদ্যালয় একত্ৰীকৰণৰ পূৰ্বে কৰা শিক্ষকতাৰ অভিজ্ঞতাক গুৰুত্ব নিদিলে। সেয়ে এইসকল শিক্ষকে বিজ্ঞাপন অনুসৰি প্ৰধান শিক্ষক পদৰ বাবে আবেদন কৰিব পৰা নাছিল। এই বঞ্চনাৰ বিৰুদ্ধে বঞ্চিত স্নাতক শিক্ষকসকল গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। দীৰ্ঘ শুনানিৰ অন্তত গুৱাহাটী উচ্চ ন্যায়ালয়ে সমগ্ৰ প্ৰক্ৰিয়াটোত স্থগিতাদেশ জাৰি কৰে।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সাধাৰণ পৰ্যটকৰ বাবে পৰহিলৈ মুকলি কৰা হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামটি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। ১ অক্টোবৰত উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব।

০০০০০০০

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহত অহা পহিলা অক্টোবৰৰ পৰা পূৰ্বৰ সময় অনুসৰি পাঠদান কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। সৰ্বশিক্ষা অভিযানৰ কামৰূপ মহানগৰ জিলাৰ মিছন সমন্বয়কে এটা নিৰ্দেশযোগে এই বিষয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰচণ্ড গ্ৰীষ্মপ্ৰবাহৰ বাবে কামৰূপ মহানগৰ জিলাৰ চৰকাৰী, প্ৰাদেশিকৃত আৰু ব্যক্তিগত বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰা দিনৰ চাৰে বাৰ বজালৈ

কৰিবলৈ ইতিপূৰ্বে নিৰ্দেশনা জাৰি কৰা হৈছিল। বতৰ অনুকুল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ প্ৰত্যাহাৰ কৰা হৈছে।

oooooooo

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীন পাৰ্কত চলি থকা দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশে প্ৰথম ইনিংছত তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

কালি দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বাংলাদেশে প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰি প্ৰথম দিনাৰ খেলৰ অন্তত তিনি উইকেটৰ বিনিময়ত ১০৭ ৰান কৰিছিল। বাংলাদেশৰ হৈ মমিউল হকে ৪০ ৰাণ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ঘৰুৱা দল ভাৰতৰ হৈ আকাশ দীপে দুটা আৰু ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰে। ভাৰতে ইতিমধ্যে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ২৮০ ৰানত জয়লাভ কৰি শৃংখলাটোত অগ্ৰগতি লাভ কৰিছে।

বাংলাদেশৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ বাবে ঘোষণা কৰা ভাৰতীয় দলত অসমৰ ৰিয়ান পৰাগে স্থান লাভ কৰিছে। বি চি চি আয়ে কালি ঘোষণা কৰা ভাৰতীয় দলটোক সূৰ্য কুমাৰ যাদবে নেতৃত্ব দিব। উল্লেখযোগ্য যে শৃংখলাটোৰ বাবে ঘোষিত দলটোত তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই স্থান লাভ কৰিছে। শেহতীয়াকৈ দাঙি ধৰা উন্নত প্ৰদৰ্শনৰ বাবে ৰিয়ান পৰাগক পুনৰবাৰ ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হৈছে। অহা ৬ অক্টোবৰৰ পৰা এই শৃংখলাৰ খেল আৰম্ভ হ'ব।

oooooooo

## NEWSPAPER REVIEW (29-09-2024 MORN.)

কঠোৰ বিধি ব্যৱস্থাৰ মাজেৰে ৰাজ্যত আজি তৃতীয় বৰ্গৰ অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা, পুৱাৰ পৰা সন্ধিয়ালৈ ৰাজ্যজুৰি ইণ্টাৰনেট কৰ্তন, স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছতেই গুৱাহাটী বিশ্ববিদ্যালয়ত বিক্ষিপ্ত পৰিস্থিতি, ৰাজ্যত ১৪ লাখ অবৈধ বিদেশী চিনাক্ত আদি বিভিন্ন বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ইণ্টাৰনেট কৰ্তনকে ধৰি কঠোৰ নীতি-নিয়মৰ মাজেৰে ৰাজ্যজুৰি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা আৰম্ভ হৈছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰাৰ লগতে **আমাৰ অসম কাকতে** মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ত কালি স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নিৰ্বাচনী ফলাফল ঘোষণা কৰাৰ পাছতে পুৱতি নিশালৈ নিৰ্বাচনকেন্দ্ৰিক সংঘাতে গুৰুতৰ ৰূপ ধাৰণ কৰে। এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে **ৰণক্ষেত্ৰত পৰিণত গুৱাহাটী বিশ্ববিদ্যালয়** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

কটন বিশ্ববিদ্যালয়ত আয়োজিত তৃতীয় ভাৰত-জাপান শিক্ষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ প্ৰজন্মক ভাৰত-জাপান সহযোগিতাৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ পাছত অসমত নাম তালিকাভুক্ত নোহোৱা লোকসকলক বাংলাদেশলৈ উভতাই পঠিওৱা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰিটো **অসমীয়া খবৰ**

কাকতে **ৰাজ্যত ১৪ লাখ অবৈধ বিদেশী চিনাক্ত** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা** কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

ইজৰাইল হামাছৰ যুদ্ধক কেন্দ্ৰ কৰি মধ্যপ্ৰাচ্যত পৰিস্থিতি উত্তাল হৈ থকাৰ মাজতে যোৱা নিশা ইজৰাইলী সেনাৰ আক্ৰমণত হিজবুল্লাৰ মুৰব্বী লগতে একাংশ সতীৰ্থৰ মৃত্যু হয়। **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিটো **মধ্যপ্ৰাচ্যত ধৰাশায়ী হিজবুল্লাৰ মুৰব্বী** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে লগতে ৰাজ্যত নতুনকৈ স্থাপন হোৱা তামুলপুৰ জিলাত কাৰ্বন-নিউট্ৰেল দুৰ্গা পূজাৰ আয়োজন কৰাৰ আন এটা বাতৰিক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে অতি ভিতৰুৱা অঞ্চলত সেৱা আগবঢ়োৱা চিকিৎসক সকললৈ এক লাখ টকাৰ অতিৰিক্ত সাহায্য প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। চৰকাৰী সূত্ৰ অনুসৰি ৰাজ্যৰ ৯ খন জিলাৰ অতি ভিতৰুৱা অঞ্চলত কাম কৰিবলৈ আগ্ৰহী বিশেষজ্ঞ চিকিৎসক বা এম বি বি এছ্ চিকিৎসকসকলক অন্যান্য সুবিধাৰ লগতে এই অতিৰিক্ত সাহায্য প্ৰদান কৰা হ'ব। পহিলা অক্টোবৰৰ পৰা এই নিয়ম প্ৰযোজ্য হ'ব। দা ছেণ্টিনেল কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমৰ ২ কোটি ৫ লাখ লোকৰ খাদ্য সুৰক্ষা সুনিশ্চিত কৰিছে চৰকাৰে, যোগীঘোপাত অচিৰেই মুকলি হ'ব আন্তঃৰাষ্ট্ৰীয় আই ডব্লিউ টি বন্দৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**